**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date :06-08-2025 **Time :** 1205Hrs.

**Assamese Midday Bulletin**

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ বাবে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ত আজি ৰাজ্যৰ বিভিন্ন স্থানত আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰে। আজি উচ্চতৰ শিক্ষা আৰু SCERTৰ বাবে আবেদন পত্ৰ বিতৰণ কৰা হৈছে। মাধ্যমিক শিক্ষাৰ বাবে ৭, ৮ আৰু ৯ আগষ্টত আবেদন পত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা, স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক দহ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ

ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল। ২০২৫-২৬ বৰ্ষত ৪ লাখ ছাত্ৰীক নিযুত মইনা আঁচনিত সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ, শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

০০০০০০

পথচাৰীৰ সুবিধাৰ্থে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জালুকবাৰীৰ পৰা খানাপাৰা অভিমুখী পথছোৱাৰ পাঁচটা স্থানত ফুটব্ৰীজ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমত  এই কথা সদৰি কৰে। পথচাৰীৰ নিৰাপদ যাত্ৰাৰ বাবে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাইপাছত ১৮ কিলোমিটাৰ পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে এই বিশেষ ব্যৱস্থা লৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। জালুকবাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ওচৰত, তেতেলিয়াত, গড়চুক কেন্দ্ৰীয় লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সমীপত, আন্তঃৰাজ্যিক বাছ আস্থানৰ ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ সমীপত আৰু লালমাটি গেমছ ভিলেজৰ ওচৰত এই ফুট ব্ৰীজসমূহ নিৰ্মাণ কৰা হ'ব। পৰৱৰ্তী বৰ্ষত এইসমূহ ফুট ব্ৰীজ ৰাইজৰ বাবে মুকলি কৰা হ'ব বুলি সামাজিক মাধ্যমৰ বিশেষ বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে।

০০

সমাগত স্বাধীনতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰ সম জিলাৰ প্ৰশাসনৰ উদ্যোগত গহপুৰ পেৰেড গ্ৰাউণ্ডত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱসৰ কাৰ্যসূচী পালন কৰা হ'ব। স্বাধীনতা দিৱসত যাতে কোনো ধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত নহয় তাৰ বাবে আৰক্ষী প্ৰশাসন

এতিয়াৰে পৰা সপ্তম হৈ পৰিছে। অসম-অৰুণাচল প্ৰদেশ সীমান্তবৰ্তী গহপুৰৰ ৰাজগড় আৰক্ষী চকীৰ দলে অৰুণাচলৰ দিশেৰে অসমত প্ৰৱেশ কৰা প্ৰতিখন বাহন তন্ন তন্নকৈ পৰীক্ষা কৰি আছে। কোনো বিস্ফোৰক অথবা মাদক দ্ৰব্য যাতে এই বাটেৰে অসমলৈ আনিব পৰা নাযায় ইয়াৰ প্ৰতিও ৰাজগড় আৰক্ষীয়ে তীক্ষ্ণ নজৰ ৰাখিছে।

০০০০

ৰাজ্যৰ বিভিন্ন অংশত মাদক দ্ৰব্য বিৰোধী অভিযান অব্যাহত আছে। ধুবুৰীত গৌৰীপুৰ আৰক্ষীয়ে কালি আলমগঞ্জ অঞ্চলত অভিযান চলাই হেৰ'ইনসহ চাৰিজন সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰে। অভিযানত আৰক্ষীয়ে ৪৪ দশমিক ৬-৫ গ্ৰাম হেৰ'ইন জব্দ কৰে। একেদৰে নগাঁও জিলাৰ কচুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল বৰাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে কালি সন্ধিয়া মাদক দ্ৰব্যসহ পাৰ্বতী বিশ্বাস নামৰ এগৰাকী সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে লগতে ৮০ টা মাদকদ্ৰব্য ভৰ্তি কণ্টেইনাৰো জব্দ কৰে। ইপিনে তিনিচুকীয়াৰ জাগুন আৰক্ষীয়ে কালি এটা গোপন সুত্ৰৰ পম খেদি দেউৰী গাওঁত অভিযান চলাই আৰু কুখ্যাত ড্ৰাগচ বেপাৰী মৃদুল চেতীয়াত গ্ৰেপ্তাৰ কৰে।

০০০০০

ৰাজ্যবাসীয়ে ২৮ সংখ্যক মৃত্যু তিথি উপলক্ষে আজি গল্পকাৰ, ঔপন্যাসিক, কবি, নিবন্ধকাৰ ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। এই উপলক্ষে আজি ঠায়ে ঠায়ে সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰা হৈছে। ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া লেখক আছিল। তেওঁ ৪২ৰ গণ আন্দোলনৰ ভিত্তিত ৰচনা কৰা মৃতুঞ্জয় উপন্যাসৰ বাবে ১৯৭৯ চনত এই বঁটা লাভ কৰিছিল। ইয়াৰ উপৰি তেওঁ ১৯৬১ চনত ইয়াৰইঙ্গম উপন্যাসৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পুণ্য তিথি উপলক্ষে সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক অসমৰ সাহিত্যক ধন্য কৰা এগৰাকী যুগজয়ী সত্তা বুলি অভিহিত কৰে। ০০০০